তোমালোকৰ যাৱতীয় কর্ম এজন ব্যক্তিৰ ওপৰত ন্যস্ত থকা অৱস্থাত যদি কোনোবাই আহি তোমালোকৰ একতাৰ লাখুটি ভাঙিব বিচাৰে আৰু তোমালোকৰ জামাতৰ মাজত বিভেদ সৃষ্টি কৰিব বিচাৰে তেন্তে তোমালোকে তাক হত্যা কৰা।

আৰফাজাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ "তোমালোকৰ যাৱতীয় কর্ম এজন ব্যক্তিৰ ওপৰত ন্যস্ত থকা অৱস্থাত যদি কোনোবাই আহি তোমালোকৰ একতাৰ লাখুটি ভাঙিব বিচাৰে
আৰু তোমালোকৰ জামাতৰ মাজত বিভেদ সৃষ্টি কৰিব বিচাৰে তেন্তে তোমালোকে তাক হত্যা কৰা।"
[ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, মুছলিমসকল এজন আমীৰৰ অধীনত জামাতবদ্ধ হৈ থকাৰ সময়ত যদি কোনোবাই নেতৃত্ব কাঢ়ি লবলৈ বিবাদ সৃষ্টি কৰে অথবা মুছলিমসকলক যদি বিভিন্ন গোটত বিভক্ত কৰিবলৈ প্ৰয়াস কৰে, তেন্তে অনিষ্টতা দূৰ কৰিবলৈ আৰু মুছলিমসকলৰ তেজ সুৰক্ষিত কৰিবলৈ তাক বাধা দিয়া আৰু তাৰ সৈতে যুদ্ধ কৰা অনিবাৰ্য হৈ পৰে।

http://sunnah.global/hadeeth/as/show/58223